**অসম বিধান সভা**
**তৰা বিহীন প্ৰশ্ন নং- ৭০**
**উত্তৰ দিয়া তাৰিখ ৭-৭-২০২৬**

**বিষয়ঃ DMFT আঁচনি সন্দৰ্ভত**

শ্ৰীওৱাজেদ আলী চৌধুৰী, বিধায়ক।

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান **DMFT**ৰ অধীনত কোন কোন জিলাত কি কি আঁচনি গ্ৰহণ কৰা হৈছে?
(খ) জিলা ভিত্তিত অনুমোদিত আঁচনিৰ নাম, আবন্টিত ধনৰ পৰিমাণ, ভৌতিক আৰু বিত্তীয় অগ্ৰগতিসহ বিতং তথ্য সদনত দাখিল কৰিব ।

**উত্তৰ :**

মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব:

(ক) বৰ্তমান অসমৰ সকলো জিলাতে জিলা খনিজ প্ৰতিষ্ঠান ন্যাস (District Mineral Foundation Trust - DMFT)গঠন কৰা হৈছে। খনন কাৰ্যকলাপৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চল আৰু লোকসকলৰ সামগ্ৰিক আৰ্থ-সামাজিক উন্নয়নৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা (PMKKKY)-ৰ অধীনত শিক্ষা, স্বাস্থ্য, বিশুদ্ধ খোৱাপানী যোগান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, দক্ষতা বিকাশ, জীৱিকাৰ উন্নয়ন, মহিলা আৰু শিশু কল্যাণ, পৰিৱেশ সংৰক্ষণ, পথ-যোগাযোগ, বিদ্যুৎ যোগান, খনন ক্ষতিগ্ৰস্ত অঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আদি বিভিন্ন আঁচনি ৰূপায়ণ কৰা হয়।

উপলব্ধ তথ্য অনুসৰি, অসমৰ বিভিন্ন জিলাত মুঠ ৮৪৯টা প্ৰকল্প অনুমোদিত হৈছে, যাৰ মুঠ অনুমোদিত ব্যয় ১৬৯.১৩ কোটি টকা। ইয়াৰে ৫৬০টা প্ৰকল্প (১১৭.৩৬ কোটি টকা) সফলতাৰে সম্পূৰ্ণ কৰা হৈছে, যি মুঠ অনুমোদিত প্ৰকল্পৰ প্ৰায় ৬৬ শতাংশ। আনহাতে, ১৫৬টা প্ৰকল্প (২৮.২০ কোটি টকা) বৰ্তমান ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে আৰু ১২৪টা প্ৰকল্প (২১.৫৯ কোটি টকা) এতিয়াও আৰম্ভ হোৱা নাই।

জিলাভিত্তিক পৰ্যালোচনাত দেখা যায় যে তিনিচুকীয়া জিলাত সৰ্বাধিক ২৯৮টা প্ৰকল্প অনুমোদিত হৈছে। ইয়াৰ পিছতে কাছাৰ জিলাত ৯৬টা আৰু ডিমা হাছাও জিলাত ৯৩টা প্ৰকল্প অনুমোদিত হৈছে। আনহাতেচিৰাং, গোলাঘাট, কামৰূপ, নগাঁও, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা-মানকাচৰ, তামুলপুৰ আৰু পশ্চিম কাৰ্বি আংলং জিলাত কোনো প্ৰকল্প অনুমোদিত হোৱা নাই। সামগ্ৰিকভাৱে, অনুমোদিত প্ৰকল্পসমূহৰ অধিকাংশই সফলতাৰে সম্পূৰ্ণ হৈছে আৰু অৱশিষ্ট চলি থকা তথা আৰম্ভ নোহোৱা প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট জিলা খনিজ প্ৰতিষ্ঠান ন্যাসসমূহৰ জৰিয়তে নিয়মীয়া পৰ্যবেক্ষণ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ জিলা ভিত্তিক পুংখানুপুংখ বিৱৰণNATIONAL DMF PORTAL-ত উপলব্ধ । গতিকে https://dmfindia.mines.gov.in–ত সকলোখিনি চাব পাৰিব ।

(খ) জিলা ভিত্তিক অনুমোদিত আঁচনিৰ নাম, আবন্টিত ধনৰ পৰিমাণ,ভৌতিক আৰু বিত্তীয় অগ্ৰগতিৰ সম্পূৰ্ণ তথ্য NATIONAL DMF PORTAL-ত উপলব্ধ আৰু https://dmfindia.mines.gov.in–ত সকলোখিনি চাব পাৰিব ।

**********

Uploaded in National eVidhan Application